# এ পি জে টি কোম্পানীৰ শ্ৰেষ্ঠ চাহ কৰ্মচাৰীক বঁটা প্ৰদান



চক্ৰাই ঃ নিজা প্ৰতিবেদক, ২৭ মাৰ্চ ঃ চৰাইদেউ জিলা ভিত্তিত প্ৰথমবাৰৰ বাবে এ পি জে টি কোম্পানীয়ে জিলাখনৰ অন্তৰ্গত চাহ বাগিচাসমূহৰ শ্ৰেষ্ঠ চাহ কৰ্মচাৰীসমূহৰ নাম ঘোষণা কৰাৰ লগতে বঁটা প্ৰদান কৰে। জিলাখনৰ চাৰিখন চাহ বাগিচা ক্ৰমে জবকা, নাফুক, চক্ৰাই আৰু মথুৰাপুৰ চাহ বাগিচাৰ ২০১৮ বৰ্ষত আটাইতকৈ বেছি কেঁচা চাহপাত উত্তোলন কৰা চাহ কৰ্মচাৰীসকলক শ্ৰেষ্ঠ পাত উত্তোলক কৰ্মচাৰী হিচাপে বঁটা প্ৰদান কৰে। চাৰিখন চাহ বাগিচাৰ শ্ৰেষ্ঠ পাত উত্তোলক হিচাপে নিৰ্বাচিত হোৱা চাহ কৰ্মচাৰীসকল ক্ৰমে নাফুক চাহ বাগিচাৰ ৰুমা বাউৰী, আৰতি গোৱালা; মথুৰাপুৰ চাহ বাগিচাৰ অৰুণ তাঁতী, জৰকা চাহ বাগিচা আৰু গংগাজল কন্দই কলঘৰৰ শ্ৰেষ্ঠ কৰ্মচাৰী হিচাপে নিৰ্বাচিত হয়। নাফুক চাহ বাগিচাৰ ৰাজহুৱা প্ৰেক্ষাগৃহত নাফুক চাহ বাগিচাৰ জনকল্যাণ বিষয়া নয়ন মানকীৰ সঞ্চালনাত অনুষ্ঠিত হোৱা বঁটা বিতৰণী সভাত শ্ৰেষ্ঠ কৰ্মচাৰী বঁটাসমূহ প্ৰদান কৰে এ পি জে টি কোম্পানীৰ চিংল' গ্ৰুপৰ মুখ্য পৰিচালক প্ৰদীপ কাকতী আৰু কোম্পানীটোৰ মানৱ সম্পদ বিভাগৰ পৰিচালক ৰামকৃষ্ণ ঘোষে। অনুষ্ঠানত উপস্থিত থাকে চাহ মজদুৰ সংঘৰ সোণাৰি শাখাৰ সম্পাদক প্ৰকাশ টী ব'ৰ্ডৰ সোণাৰি শাখাৰ বিষয়া স্বৰ্গজ্যোতি শইকীয়া আৰু চিংল' টী কোম্পানীৰ পৰিচালকসকল। শ্ৰেষ্ঠ কৰ্মচাৰীসকলক নগদ ধনসহ ট্ৰফী আৰু মানপত্ৰ প্ৰদান কৰে।